জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩/২০২১

# অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ ক'ভিড-১৯ আন্তঃগাঁথনি সঁজুলি হস্তান্তৰ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ দিশত ৰটাৰী ক্লাৱে লোৱা ভূমিকাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জন বেৰী হোৱাইট প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিৰ হাতত ৰটাৰী ফাউণ্ডেশ্যন অৱ ৰটাৰী ইন্টাৰনেশ্যনেলৰ অধীনৰ ডিব্ৰুগড় ৰটাৰী ক্লাৱ আৰু বাংলাদেশৰ ৰটাৰী ক্লাৱ অৱ ঢাকা ৰয়েলৰ দ্বাৰা গোলকীয় অনুদানৰ অধীনত ক'ভিড-১৯ আন্তঃগাঁথনি সঁজুলি অনুদানৰ অংশ হিচাপে আগবঢ়োৱা দুটা ৰবট আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। উল্লেখ্য যে ৰিম'টৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিবলগীয়া এই ৰব'টিক বাহনে ক'ভিড-১৯ ৰ লগতে অন্যান্য সংক্ৰামক ৰোগত আক্ৰান্ত হৈ আইচ'লেশ্যন ৱাৰ্ডত থকা ৰোগীসকললৈ খাদ্য সামগ্ৰী, ঔষধ-পাতি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে যন্ত্ৰবৎ টেকন'লজি প্ৰাইভেট লিমিটেডৰ কো-ফাউণ্ডাৰ অৰুণজ্যোতি বৰগোঁহাইক এই ৰবটৰ আৰ্হি প্ৰস্তুত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। আজি সমগ্ৰ দেশজুৰি ক'ভিড-১৯ ৰ টিকাকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাটো দেশৰ বাবে এক উল্লেখ্যযোগ্য দিশ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে সাহস আৰু ত্যাগেৰে যুঁজ দিয়া আগশাৰীৰ যোদ্ধা আৰু স্বাস্থ্যকৰ্মীসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়া সকলো বিভাগ আৰু সংস্থাসমূহকো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ অধীনত ভাৰতে বিজ্ঞান আৰু প্ৰযুক্তিৰ উদ্ভাৱনেৰে অতিমাৰীক নিয়ন্ত্ৰণৰ দিশত বিশেষভাৱে সফল হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰটাৰী ক্লাৱে মানৱ সেৱাৰ দিশত আগবঢ়াই অহা অৱদানৰ শলাগ লোৱাৰ উপৰি এই সংস্থাৰ সদস্য-সদস্যাসকলক ক্ৰীড়া, সংস্কৃতি আৰু শৈক্ষিক দিশৰ উত্তৰণৰ বাবে শক্তিশালী পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে ডিব্ৰুগড় ৰটাৰী ক্লাৱে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ক'ভিড-১৯ অতিমাৰী তথা অন্যান্য সংক্ৰামক ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ দিশত সহায়ক হোৱাকৈ প্ৰয়োজনী সঁজুলি প্ৰদানৰ পদক্ষেপৰ শলাগ লয়।

অনুষ্ঠানত বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, বিমল বৰা, সোণাৱাল কছাৰী স্বায়ত্ত

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুৰে, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙিয়া, ৰটাৰী পাষ্ট ডিষ্ট্ৰিক গভৰ্ণৰ ড° কৃতি ৰঞ্জন দে, ডিব্ৰুগড় জিলাৰ স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কৃষ্ণা কেম্প্ৰাইৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

অনুষ্ঠানত ৰটাৰী পাষ্ট ডিষ্ট্ৰিক গভৰ্ণৰ কল্পনা খাউণ্ডে আদৰণী ভাষণ আগবঢ়ায়।

**সুঃমিঃক / সুঃদঃ / বঃভাঃ**
**১৬/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in